# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৭৯/২০২০

## লখিমপুৰ জিলাৰ বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে
## কল্যাণকামী আঁচনি সমূহৰ দ্ৰুত ৰূপায়ণৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২০ ফেব্ৰুৱাৰী ঃ** লখিমপুৰ জিলাত ৰূপায়িত হৈ থকা চৰকাৰী আঁচনি সমূহৰ ৰূপায়ণৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি লখিমপুৰ জিলাৰ উপায়ুক্তক 'অটল অমৃত অভিযান', 'আয়ুষ্মান ভাৰত', 'প্ৰধানমন্ত্ৰী আৱাস যোজনা', 'প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা' ইত্যাদিৰ লেখীয়া আঁচনি সমূহৰ অধীনত আৰু অধিক হিতাধিকাৰীক সন্নিবিষ্ট কৰাৰ বাবে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে জিলাখনত ৰূপায়িত হৈ থকা আঁচনি সমূহ সঠিক পৰ্যবেক্ষণৰ বাবে পযেকত এবাৰকৈ পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰাৰ বাবেও উপায়ুক্তক নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্ত তথা বিভিন্ন বিভাগৰ মুৰব্বী সকলক চৰকাৰী আঁচনি সমূহৰ বিষয়ে ব্যাপক সজাগতা সৃষ্টি কৰাৰ বাবে চৰকাৰী প্ৰশাসন যন্ত্ৰৰ উপযুক্ত প্ৰয়োগ কৰাৰ ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে যাতে বিভিন্ন কল্যাণকামী আঁচনি সমূহৰ সুফল জনসাধাৰণে লাভ কৰিবলৈ সক্ষম হয়।

স্বাস্থ্য বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকক জাপানিজ এনকেফেলাইটিছ্‌ ৰোগৰ প্ৰতিষেধক সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা দ্ৰুততাৰে সম্পন্ন কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে অটল অমৃত যোজনা, আয়ুষ্মান ভাৰত ইত্যাদিৰ লেখীয়া আঁচনি সমূহৰ বিষয়ে জনসাধাৰণৰ মাজত উপযুক্ত সচেতনতা সৃষ্টিৰ বাবেও স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকক নিৰ্দেশ দিয়ে।

২০২২ চনৰ ভিতৰত জিলাখনৰ কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে কৃষি বিভাগৰ জিলা কৃষি বিষয়াক পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়াৰ লগতে কৃষি আঁচনি সমূহৰ সুফল যাতে প্ৰকৃত কৃষকে লাভ কৰিব পাৰে সেইটো সুনিশ্চিত কৰাৰ ব্যৱস্থা ল'বলৈও তেওঁ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলা কৃষি বিষয়া গৰাকীক কৃষি আঁচনি সমূহ তৃণমূল পৰ্যায়লৈ লৈ যোৱাৰ দিশত ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াসকলক বিশেষভাৱে উদ্যোগ লোৱাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

'প্ৰধানমন্ত্ৰী আৱাস যোজনা'ৰ লেখীয়া আঁচনি ৰূপায়ণৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক জিলাখনৰ বাছনিভুক্ত সকলোবোৰ হিতাধিকাৰীক উপকৃত কৰাৰ ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে। জলসম্পদ বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে বিভাগীয় শীৰ্ষ বিষয়াক বানপানী আৰম্ভ হোৱাৰ আগতে জিলাখনৰ মথাউৰি সমূহ মেৰামতি কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব নালাগে সেইটো সুনিশ্চিত কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে।

সমাজ কল্যাণ বিভাগৰ দিব্যাংগ পেঞ্চন আঁচনি, শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি, পোষণ অভিযান ইত্যাদিৰ লেখীয়া আঁচনি সমূহ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তক আঁচনি সমূহ ৰূপায়ণৰ দিশত উপযুক্ত পৰ্যবেক্ষণ অব্যাহত ৰখাৰ বাবে নিৰ্দেশ দিয়ে। প্ৰধানমন্ত্ৰী গ্ৰাম

চড়ক যোজনা, এম এনৰেগা ইত্যাদিৰ লেখীয়া আঁচনি সমূহৰ ৰূপায়ণৰ পৰ্যালোচনা কৰি সংশ্লিষ্ট বিভাগক মুখ্যমন্ত্ৰীয়ে এই আঁচনি সমূহৰ ৰূপায়ণৰ সৰ্বতোপ্ৰকাৰৰ সফলতা লাভৰ বাবে স্থানীয় জনসাধাৰণক আস্থাত লৈ কাম কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ সকলো বিভাগকে এটা টীমৰ মানসিকতাৰে কাম কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনামূলক বৈঠকত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ (স্বতন্ত্ৰ) ৰাজ্যিক মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ প্ৰদান বৰুৱা, বিধায়ক দেবানন্দ হাজৰিকাও উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**২০/০২/২০২০**